**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

\- - - - - - - - - - - - - -

সমগ্ৰ দেশতে আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস ব্যাপক উৎসাহ উদ্দীপনাৰে উদযাপন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি নতুন দিল্লীত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো বিভিন্ন কাৰ্যসূচীৰে ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয় যে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় গড়তকৈ বৃদ্ধি পাইছে। ৰাজ্যৰ শিক্ষা খণ্ডৰ আন্তঃগাঁথনিও অভূতপূৰ্বভাৱে শক্তিশালী হৈছে বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্যপালগৰাকীয়ে অসম চৰকাৰে যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে বুলিও উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। ৰাজ্যখনত শান্তিৰ পৰিবেশে বিৰাজ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এসময়ত গণৰাজ্য দিৱস উদযাপন বৰ্জনৰ বাবে একাংশ সংগঠনৰ আহ্বানত অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি হৈছিল। ইয়াৰ পৰিৱৰ্তে সম্প্ৰতি জনসাধাৰণে ব্যাপক উৎসাহেৰে এই উদযাপনত অংশ লৈছে।

২০২৪ চনত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা, চৰাইদেউৰ মৈদামৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত মুখ্যমন্ত্ৰীয়ে আলোকপাত কৰে।

০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশ লোৱাৰ পাছত আবেলিৰ ভাগত নাহৰকটীয়া সম-জিলাত ৰূপায়িত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে সমজিলাখনত কাৰাগাৰ নিৰ্মাণৰ বিষয়টো আলোচনা কৰাৰ লগতে নাহৰকটীয়া ৰাজহুৱা খেলপথাৰত মিনি ষ্টেডিয়াম ৰূপে গঢ়ি তুলিবলৈ যাৱতীয় নিৰ্দেশনা দিয়ে। তেওঁ জিলাখনত লোকনিৰ্মাণ বিভাগৰ অধীনত ৰূপায়িত হৈ থকা আঁচনিসমূহ পৰ্যালোচনা কৰি চাচনি-বেলবাৰী আলি আৰু কিকিৰ বালিৰঘাট সংযোগী দলংখন অহা বছৰৰ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকতে ড০ শৰ্মাই প্ৰতিখন সমজিলাৰ বাবে একোখনকৈ অতিৰিক্ত জিলা আৰু চেছন ন্যায়াধীশৰ আদালত স্থাপনৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ জিলাখনত ইতিমধ্যে বন্ধ হোৱা চৰকাৰী বিদ্যালয়সমূহক অন্য চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰিব পৰাকৈ পৰিকল্পনা যুগুত কৰাৰ বাবেও নিৰ্দেশ দিছে। তদুপৰি অন্য স্থানত দায়িত্বত নিয়োজিত কৰ্মচাৰীসকলক নিজৰ স্থানলৈ লৈ অনাৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় শীৰ্ষ বিষয়াসকলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কিছু সময় পূৰ্বে ডিব্ৰুগড়ত তৃতীয় টাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱত ভাষণ দিয়ে। টাই আহোমসকলৰ ৰীতি-নীতি, পৰম্পৰা আৰু সংস্কৃতিৰ প্ৰভাৱ বৃহত্তৰ অসমৰ সাংস্কৃতিক পৰিমণ্ডলত দেখা পোৱা যায় বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। ড০ শৰ্মাই লগতে অসম চৰকাৰ ৰাজ্যখনৰ বৈচিত্ৰ্যময় সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে দায়বদ্ধ বুলি উল্লেখ কৰে।

০০০

অসমৰ উপৰি উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যকেইখনতো ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। মণিপুৰৰ কাংলাত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত আজি ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি সুৰক্ষা বাহিনীসমূহৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিং, কেবিনেট মন্ত্ৰীসকল, সাংসদ-বিধায়ক আৰু শীৰ্ষ প্ৰশাসনীয় বিষয়াসকল এই অনুষ্ঠানত উপস্থিত থাকে। মেঘালয়তো আজি গণৰাজ্য দিৱস উৎসাহ উদ্দীপনাৰে আয়োজন কৰা হয়। এই উপলক্ষে ৰাজধানী শ্বিলঙত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্যখনৰ ৰাজ্যপাল চন্দ্ৰ শেখৰ এইছ বিজয়া শংকৰে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। এই উপলক্ষে শ্বিলঙৰ প'ল' গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে ২০২৫ বৰ্ষৰ ইউ তিৰথ সিং বঁটা প্ৰদান কৰে। নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম, ত্ৰিপুৰা আৰু ছিকিমতো গণৰাজ্য দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০

দৰং জিলাৰ পথৰুঘাটত ১৮৯৪ চনৰ ২৮ জানুৱাৰীত ব্ৰিটিছ আৰক্ষীৰ গুলীত প্ৰাণ হেৰুওৱা ১৪০গৰাকী শ্বহীদ কৃষকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বাবে আজিৰে পৰা তিনিদিনীয়াকৈ কৃষক শ্বহীদ দিৱস অনুষ্ঠিত হৈছে। এই উপলক্ষে আজি বিয়লি ছিপাঝাৰৰ ব্যাসপাৰা গাঁৱত কৃষক শ্বহীদ আৰু স্বাধীনতা সংগ্ৰামৰ সেনানীসকলৰ পৰিয়ালৰ সদস্যক সম্বৰ্দ্ধনা জ্ঞাপন তথা অন্তৰংগ আলাপৰ আয়োজন কৰা হয়। ইয়াৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনত দৰঙীয়াৰ অৱদান আৰু পথৰুঘাটৰ ৰণ শীৰ্ষক বিষয়ক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। কাইলৈ পুৱা পথৰুঘাটে ৰিঙিয়াই শীৰ্ষক কুইজ প্ৰতিযোগিতা, প্ৰেক্ষাগৃহ উদ্বোধন, কৃষি মেলা উদ্বোধনকে ধৰি কেইবাটাও কাৰ্যসূচী লোৱা হ'ব। অন্তিম দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাট বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ কথা।

০০০

সমাপ্ত